# Vice President addresses the first plenary Session of the 13th ASEM Summit

November 25, 2021

---

# উপ ৰাষ্ট্ৰপতিয়ে 13তম এএছইএম সন্মিলনৰ প্ৰথম পূৰ্ণাংগ বৈঠকত ভাষণ দিয়ে

নৱেম্বৰ 25, 2021

**উপ ৰাষ্ট্ৰপতিয়ে ৰাষ্ট্ৰ সংঘ সুৰক্ষা পৰিষদ আৰু আন প্ৰমুখ আন্তঃৰাষ্ট্ৰীয় সংগঠনত সংশোধনৰ আহ্বান জনাই**

**তেওঁ কয়, সমসাময়িক পৃথিৱীৰ প্ৰত্যাহ্বানবোৰ এনে প্ৰণালীৰে সম্বোধন কৰিব নোৱাৰি যি অতীতৰ প্ৰত্যাহ্বানবোৰৰ সৈতে যুঁজাৰ বাবে নিৰ্মাণ কৰা হৈছিল**

**শান্তিৰ অবিহনে, উন্নয়নে ভুগে আৰু উন্নয়নৰ অভাৱে হিংসা আৰু অস্থিৰতাৰ বাবে উৰ্বৰ ভেটি সৃষ্টি কৰে - উপ ৰাষ্ট্ৰপতি**

**সংশোধিত বহুপাক্ষিকতা হৈছে এক মূল চলন নীতি যি ভাৰতে অনুসৰণ কৰিছে - উপ ৰাষ্ট্ৰপতি**

**উপ ৰাষ্ট্ৰপতিয়ে 13তম এএছইএম সন্মিলনৰ প্ৰথম পূৰ্ণাংগ বৈঠকত ভাষণ দিয়ে**

উপ ৰাষ্ট্ৰপতি, শ্ৰী এম ভেংকায়া নাইডুৱে আজি ৰাষ্ট্ৰ সংঘ আৰু আন মুখ্য আন্তঃৰাষ্ট্ৰীয় সংগঠনসমূহত সংশোধনৰ প্ৰয়োজনৰ ওপৰত জোৰ দিয়ে যাতে ইয়াক আজিৰ সমসাময়িক বাস্তৱসমূহৰ প্ৰতিফলনীয় কৰিব পাৰি আৰু সমসাময়িক প্ৰত্যাহ্বানবোৰৰ সৈতে যুঁজিব পৰাকৈ সক্ষম কৰিব পাৰি।

13তম এএছইএম সন্মিলনৰ প্ৰথম পূৰ্ণাংগ বৈঠকত নতুন দিল্লীৰ পৰা আজি ভাৰচ্যুৱেল ধৰণে ভাষণ দি, উপ ৰাষ্ট্ৰপতিয়ে কয় যে পৃথিৱীখনে আজি দ্ৰুত অৰ্থনৈতিক, প্ৰযুক্তিগত আৰু সুৰক্ষা প্ৰত্যাহ্বান দেখিছে আৰু যুঁজিছে আৰু বৰ্তমানৰ বহুপক্ষীয় প্ৰণালীত ত্ৰুটি আহিছে এই প্ৰত্যাহ্বানসমূহৰ প্ৰতি এক কাৰ্যকৰী প্ৰতিক্ৰিয়া প্ৰদান কৰাত। তেওঁ লগতে উল্লেখ কৰে যে সংশোধিত বহুপাক্ষিকতা হৈছে এক মূল চলন নীতি যি ভাৰতে অনুসৰণ কৰিছে এক উদ্দেশ্যজনক সংশোধনৰ বাবে বিদ্যমান বিশ্বযোৰা সাংগঠনিক গাঁথনিৰ।

দুদিনীয়া সন্মিলনখন যি আজি উদ্বোধন কৰা হয় কেম্বোডিয়াই অনুষ্ঠিত কৰিছে ভাৰচ্যুৱেল ধৰণে আৰু ইয়াৰ বিষয় হৈছে "উমৈহতীয়া বিকাশৰ বাবে বহুপাক্ষিকতা শক্তিশালী কৰা"। এএছইএম-13ত ভাৰতীয় প্ৰতিনিধি দলৰ নেতৃত্ব কৰে উপ ৰাষ্ট্ৰপতি, শ্ৰী এম ভেংকায়া নাইডুৱে, আৰু তেওঁ লগতে অহা কালি সন্মিলনখনৰ সামৰণি বৈঠক সম্বোধন কৰিব।

এয়া লক্ষ্য কৰি যে শান্তিৰ অবিহনে, উন্নয়নে ভুগে, শ্ৰী নাইডুৱে লগতে উল্লেখ কৰে যে উন্নয়নৰ অভাৱ আৰু কন্ঠৰুদ্ধ অৰ্থনৈতিক প্ৰগতিয়ে হিংসা আৰু অস্থিৰতাৰ বাবে উৰ্বৰ ভেটি সৃষ্টি কৰে। সেয়ে, তেওঁ অৰ্থনৈতিক কাৰ্যকলাপ প্ৰচাৰ আৰু জীৱিকা সুৰক্ষা উন্নয়নৰ প্ৰতি প্ৰচেষ্টাৰ আহ্বান জনাই আৰু পৰামৰ্শ দিয়ে যে কোভিড-19 মহামাৰীয়ে প্ৰতিকূলভাৱে প্ৰভাৱিত দেশবোৰৰ পুনৰুদ্ধাৰত ই বহুত সহায় কৰিব। এক বিশ্বযোৰা স্তৰত অবিচ্ছিন্ন অ-সুৰক্ষাৰ কাৰণবোৰ হ্ৰাস কৰাৰ প্ৰয়োজনৰ ওপৰত জোৰ দি, উপ ৰাষ্ট্ৰপতিয়ে বিশ্বযোৰা শান্তি আৰু সুৰক্ষা ৰক্ষা কৰাৰ বাবে দায়বদ্ধ আন্তঃৰাষ্ট্ৰীয় গাঁথনিসমূহত সংশোধনৰ প্ৰয়োজন উল্লেখ কৰে।

এয়া মন্তব্য কৰি যে আজিৰ গতিশীল আৰু আন্তঃনিৰ্ভৰ পৃথিৱীৰ প্ৰত্যাহ্বানৰ সমাহাৰ আওপুৰণি প্ৰণালীবোৰৰ দ্বাৰা সম্বোধন কৰিব নোৱাৰি যি তৈয়াৰ কৰা হৈছিল অতীতৰ প্ৰত্যাহ্বানবোৰৰ সৈতে যুঁজাৰ বাবে, শ্ৰী নাইডুৱে এক জৰুৰীকালিন প্ৰয়োজন প্ৰকাশ কৰে আন্তঃৰাষ্ট্ৰীয় সহযোগিতা পুনৰ কল্পনা কৰা আৰু ইয়াৰ লক্ষ্য আগলৈ বিস্তাৰ কৰাৰ। "এয়া হৈছে সমন্বিত বিশ্বযোৰা প্ৰতিক্ৰিয়াৰ অভাৱ যি আজিৰ বহুপক্ষীয় প্ৰণালীবোৰৰ ক্ৰুটি আৰু দুৰ্বলতা প্ৰকাশ কৰিছে," তেওঁ কয়।

উপ ৰাষ্ট্ৰপতিয়ে লগতে কয় যে মহামাৰীয়ে ভ্ৰান্তিৰ ৰেখাসমূহ প্ৰকাশ কৰিছে অনিৰ্ভৰ্শীল বিশ্বযোৰা যোগান শৃংখলৰ পৰা অসমান প্ৰতিষেধক বিতৰণ লৈকে, যি বিশ্বযোৰা ঐকতা আৰু বলিষ্ঠ বহুপাক্ষিকতাৰ প্ৰয়োজন অধিক উল্লেখ কৰে। এয়া উল্লেখ কৰি যে পুনৰ কল্পনা কৰা মহামাৰীৰ শেষৰ বিশ্বখনে বহুপাক্ষিকতা ব্যৱস্থাৰ পৰা অধিক পৃথক দাবী কৰিব, তেওঁ আন্তঃৰাষ্ট্ৰীয় অৰ্থনৈতিক সহযোগিতাৰ চাৰিটা গুৰুত্বপূৰ্ণ ক্ষেত্ৰ উল্লেখ কৰে, যি হৈছে, বহনশীল আৰু নিৰ্ভৰশীল যোগান শৃংখল, স্বাস্থ্য সুৰক্ষা, উন্নয়নৰ বাবে ডিজিটেল আৰু সেউজ আৰু বহনশীল পুনৰুদ্ধাৰ।

উপ ৰাষ্ট্ৰপতিয়ে সকলো অংশগ্ৰহণকাৰী সদস্যক অভিনন্দন জ্ঞাপন কৰে 1996 চনত স্থাপন হোৱা এচিইএম প্ৰক্ৰিয়া 25তম বাৰ্ষিকীত। এচিইএম-ৰ প্ৰশংসা কৰি দুয়ো মহাদেশৰ নেতা আৰু মানুহক একেলগ কৰাৰ বাবে বিশ্বযোৰা চিন্তাৰ বিষয়সমূহ সমাধানৰ বাবেতেওঁ সহযোগী বহুপাক্ষিকতাৰ , শক্তিসমূহ বলিষ্ঠ কৰাৰ প্ৰতি কাম কৰিবলৈ ভাৰতৰ প্ৰতিশ্ৰুতি পুনৰ নিশ্চিত কৰে।

**নতুন দিল্লী**
**নৱেম্বৰ 25, 2021**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.